**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 16-05-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN

## HEADLINES

**::::::::::::::::::**

১। পাকিস্তানলৈ বিত্তিয় সাহায্য আগবঢ়োৱাৰ বিষয়টো পুনৰ বিবেচনা কৰাৰ বাবে ভাৰতে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিক আহ্বান জনাইছে।

২। বিশ্ব স্বাস্থ্য সংস্থাই পাপুৱা নিউগিনিত পলিঅ'ৰ প্ৰাদুৰ্ভাৱ হোৱা বুলি ঘোষণা কৰিছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভাৰত-তীবেবতীয় সীমান্ত আৰক্ষী  আই টি বি পি বিশ্বৰ পঞ্চমটো ওখ শৃংগ মাউণ্ট মাকালু আৰোহণ কৰাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছিকিমৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

*আৰু*

৫। ভাৰত আৰু পাকিস্তানৰ মাজত হোৱা উত্তেজনাময় পৰিবেশৰ বাবে সাময়িকভাৱে স্থগিত ৰখা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ পৰৱৰ্ত্তী খেলসমূহ কাইলৈৰ পৰা অনুষ্ঠিত হ'ব।

০০০০০০

ভাৰতে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিক পাকিস্তানলৈ বিত্তিয় সাহায্য আগবঢ়োৱাৰ বিষয়টো পুনৰ বিবেচনা কৰাৰ বাবে আহ্বান জনাইছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে এই পুঁজিৰ এটা বৃহৎ অংশ পাকিস্তানৰ ভিতৰত সন্ত্ৰাসবাদৰ আন্তঃগাঁথনি সাজু কৰাৰ বাবে ব্যৱহাৰ কৰা হ'ব। ভুজৰ এয়াৰ ফোৰ্ছ ষ্টেচনৰ এয়াৰ ৱাৰিয়ৰ্ছত ভাষণ দি শ্ৰী সিঙে অপাৰেচন সিন্দূৰত ভাৰতীয় বায়ু সেনাই গ্ৰহণ কৰা নিৰ্ণায়ক ভূমিকাৰ প্ৰশংসা কৰে। তেওঁ কয়, যে বায়ু সেনাই সকলো ভাৰতীয়ক গৌৰৱান্বিত কৰিছে। ভাষণ দি আজি শ্ৰী সিঙে কয়, যে মাত্ৰ ২৩ মিনিটত বিমান বাহিনীয়ে পাকিস্তানত আশ্ৰয় লৈ থকা সন্ত্ৰাসবাদীৰ আন্তঃগাঁথনি ধ্বংস কৰে। এই অভিযানে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শক্তিশালী বাৰ্তা বহন কৰা বুলি উল্লেখ কৰি তেওঁ কয়, যে অপাৰেচন সিন্দূৰৰ জৰিয়তে সেনাবাহিনীৰ শক্তি তথা প্ৰস্তুতি প্ৰতিফলিত হৈছে। সশস্ত্ৰ বাহিনীয়ে শত্ৰুপক্ষক দমন কৰাৰ লগতে ধ্বংস কৰিবলৈও সক্ষম হোৱা বুলি তেওঁ প্ৰকাশ কৰে।  অপাৰেচন সিন্দূৰত সেনা বাহিনীৰ ভূমিকা বিশ্বজুৰি চৰ্চিত তথা প্ৰশংসিত হোৱা বুলিও তেওঁ উল্লেখ কৰে। বায়ু সেনাই অপাৰেচন সিন্দূৰৰ জৰিয়তে অতুলনীয় সাহস প্ৰদৰ্শন কৰাৰ লগতে দেশৰ প্ৰতিৰক্ষা সামৰ্থক নতুন শিখৰলৈ লৈ গৈছে বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বিশ্বই ভাৰতৰ বায়ু প্ৰতিৰক্ষা ব্যৱস্থাক প্ৰশংসা কৰা বুলিও তেওঁ উল্লেখ কৰে। পাকিস্তানৰ প্ৰতিটো প্ৰান্তৰ স্পৰ্শ কৰিবলৈ ভাৰতীয় বায়ু সেনা বাহিনীৰ সামৰ্থ আছে বুলি উল্লেখ কৰি তেওঁ কয়, যে এই সামৰ্থ অপাৰেচন সিন্দূৰৰ জৰিয়তে প্ৰমাণিত হৈছে।

০০০০০০

বিশ্ব স্বাস্থ্য সংস্থাই পাপুৱা নিউগিনিত পলিঅ'ৰ প্ৰাদুৰ্ভাব হোৱা বুলি ঘোষণা কৰাৰ লগতে শীঘ্ৰে প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে, দেশখনৰ উত্তৰ-পূৰ্বাঞ্চলৰ উপকূলীয় মহানগৰ লাইত চলোৱা নিয়মীয়া পৰীক্ষণৰ সময়ত সুস্থ-সবল শিশুৰ দেহত অতি সংক্ৰামক এই ভাইৰাছ বিধৰ উপস্থিতি ধৰা পৰে। পলিঅ' ভাইৰাছৰ জৰিয়তে বিয়পা এই ৰোগ সংক্ৰমিত ব্যক্তিৰ শৌচ তথা কাহ আৰু হাচিৰ জৰিয়তেও বিয়পে। এই ভাইৰাছবিধে সাধাৰণতে ৫ বছৰৰ তলৰ শিশুক আক্ৰমন কৰে। পলিঅ' নিৰ্মূল কৰাৰ বাবে বিশ্বজুৰি চলি থকা প্ৰচেষ্টাৰ পাছতো পাপুৱানিউগিনিকে ধৰি কিছু অঞ্চলত এই ভাৰাছৰ পুনৰ প্ৰাদুৰ্ভাব ঘটিছে। এই অঞ্চলসমূহৰ অৰ্ধসংখ্যক লোককহে প্ৰতিষেধক প্ৰদান কৰা হৈছে। ২০০০ চনত এই দেশখন পলিঅ' মুক্ত হিচাপে ঘোষণা কৰা হৈছিল যদিও ২০১৮ চনত দেশখনত পুনৰ পলিঅ'ৰ প্ৰাদুৰ্ভাৱ ঘটে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভাৰত-তীবেবতীয় সীমান্ত আৰক্ষী আই টি বি পি বিশ্বৰ পঞ্চমটো ওখ শৃংগ মাউণ্ট মাকালু আৰোহণ কৰাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে আই টি বি পিৰ বিষয়াসকলে শৃংগটোত ত্ৰিৰংগ পতাকা উৰুওৱাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বচ্ছ ভাৰত অভিযানৰ জৰিয়তে উদ্বুদ্ধ হৈ অতি প্ৰতিকূল বতৰৰ মাজতো ১৫০ কিলোগ্ৰাম আৱৰ্জনা আঁতৰ কৰে। তেওঁ বাহিনীটোৰ সাহস আৰু প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰশংসা কৰে।

০০০০০০

সন্ত্ৰাসবাদৰ সমৰ্থন কৰাৰ ক্ষেত্ৰত পাকিস্তানে বিভিন্ন ভূমিকা গ্ৰহণ কৰি আহিছে। বিভিন্ন সন্ত্ৰাসবাদী সংগঠনক বিত্তিয় সাহায্য প্ৰদান কৰাৰ পৰা আৰম্ভ কৰি বিভিন্ন সন্ত্ৰাসবাদী গোটৰ সৈতে দেশখনৰ পোনপ'টীয়া সম্পৰ্কৰ তথ্য-প্ৰমাণ পোৱা গৈছে। এটা ব্ৰিটিছ বাতৰি প্ৰতিষ্ঠানৰ সৈতে হোৱা সাক্ষাৎকাৰত পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী খাৱাজা মহম্মদ আছিফে তিনি দশক ধৰি পাকিস্তানে সন্ত্ৰাসবাদী গোটক সমৰ্থন আগবঢ়াই অহাৰ কথাটো স্বীকাৰ কৰিছে। পেহেলগামত হোৱা শেহতীয়া সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰীগৰাকীৰ এনে স্বীকাৰোক্তিয়ে আঞ্চলিক স্থিৰতাৰ ক্ষেত্ৰত পাকিস্তানৰ ভূমিকা সন্দৰ্ভত বহুতো প্ৰশ্ন উত্থাপিত হৈছে। সন্ত্ৰাসবাদী সংগঠনক আগবঢ়োৱা সমৰ্থনৰ বাবে পাকিস্তানৰ স্বৰূপ সমগ্ৰ বিশ্বৰ সন্মুখত প্ৰকাশ পোৱাৰ লগতে দেশখন সন্ত্ৰাসবাদীৰ নিৰাপদ আশ্ৰয়স্থল হিচাপে পৰিগণিত হৈ পৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বিশ্ব সম্প্ৰদায়ে পাকিস্তানক বিভিন্ন ক্ষেত্ৰত কূটনৈতিকভাৱে অকলশৰীয়া কৰিছে। যোৱা মাহত পেহেলগামত হোৱা আক্ৰমণৰ ঘটনাৰ পাছত ভাৰতে পাক অধিকৃত কাশ্মীৰ তথা পাকিস্তানৰ ৯ টা সন্ত্ৰাসবাদী শিবিৰত অপাৰেচন সিন্দূৰৰ জৰিয়তে ভয়ানক আক্ৰমণ চলায়। এই আক্ৰমণত বাহাৱালপুৰ, মুৰিদকেকে ধৰি লস্কৰ-ই-তৈবা তথা জৈইছ-ই-মহম্মদৰ দৰে সন্ত্ৰাসবাদী গোটসমূহৰ আশ্ৰয় স্থলসমূহ ধ্বংস হৈছে। ছৌদি আৰব, সংযুক্ত আৰব আমীৰী ৰাষ্ট্ৰ তথা চীনকে ধৰি এতিয়ালৈ পাকিস্তানৰ মিত্ৰদেশ হিচাপে পৰিগণিত হৈ অহা দেশসমূহেও পাকিস্তানৰ পৰা দূৰত্ব অৱলম্বন কৰিছে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে  লস্কৰ-ই-তৈবাৰ দৰে সন্ত্ৰাসবাদী গোটসমূহৰ সৈতে পাকিস্তানৰ সম্পৰ্কৰ ওপৰত বিশেষভাৱে দৃষ্টিপাত কৰাৰ লগত পাকিস্তানে দক্ষিণ এছিয়াত কৌশলগত সমতা বজাই ৰখাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। গোলকীয় মঞ্চত পাকিস্তানৰ স্বৰূপ উদঙাই দিবলৈ ভাৰতে প্ৰচেষ্টা অব্যাহত ৰখাৰ সময়তে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে হাফিজ চৈয়িদ, জাকিউৰ ৰেহমান লাখভিকে ধৰি সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত পাকিস্তানৰ বহু লোক তথা লস্কৰ-ই-তৈবা

আৰু জামাত-উদ-দাৱাৰ দৰে বহু সংগঠনক নিষিদ্ধ ঘোষণা কৰিছে। ইয়াৰ জৰিয়তে পাকিস্তানৰ প্ৰতি আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ দৃষ্টিভংগী প্ৰতিফলিত হৈছে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছিকিমৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে প্ৰাকৃতিক প্ৰাচুৰ্য, ঐশ্বৰ্যশালী সাংস্কৃতিক ঐতিহ্য আৰু জনসাধাৰণৰ সৌহাৰ্দ্যৰ বাবে ছিকিমৰ প্ৰশংসা কৰে। তেওঁ কয়, যে দেশৰ আটাইতকৈ অধিক পৰিৱেশ সচেতন ৰাজ্য হিচাপে ছিকিমে সমন্বয় প্ৰদৰ্শন কৰি বহনক্ষম উন্নয়নৰ উল্লেখনীয় নজিৰ দাঙি ধৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ছিকিম মানে হৈছে সমাহিত সৌন্দৰ্য্য, ঐশ্বৰ্যশালী সাংস্কৃতিক পৰম্পৰা তথা উদ্যমী জনসাধাৰণ। ৰাজ্যখনে বিভিন্ন খণ্ডত উল্লেখনীয় সফলতা লাভ কৰা বুলি শ্ৰী মোদীয়ে সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰে। ৰাজ্যখনৰ ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে এই ক্ষণ বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি তেওঁ ৰাজ্যবাসীৰ প্ৰগতি কামনা কৰে।

০০০০০০

বাংলাদেশৰ ঢাকাত থকা ভাৰতৰ উচ্চ আয়োগৰ ইন্দিৰা গান্ধী সাংস্কৃতিক কেন্দ্ৰত কালি বুদ্ধ পূৰ্ণিমা পালন কৰা হয়। ভগৱান বুদ্ধই নিৰ্বান লাভ কৰা তথা তেওঁৰ জয়ন্তী উপলক্ষে পালন কৰা বুদ্ধ পূৰ্ণিমা অতি পৱিত্ৰ দিন। এই উপলক্ষে আয়োজিত সাংস্কৃতিক সন্ধিয়াত ভগৱান বুদ্ধৰ জীৱন দৰ্শনেৰে সমৃদ্ধ এখন নৃত্যনাটিকা প্ৰদৰ্শনৰ লগতে ভাৰত নাট্যম আৰু ওডিচি নৃত্যও প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত বাংলাদেশত থকা ভাৰতৰ উচ্চায়ুক্ত প্ৰণয় বাৰ্মাই কয়, যে বুদ্ধপূৰ্ণিমা পালনৰ জৰিয়তে দুয়োখন দেশৰ দীৰ্ঘদিনীয়া সম্পৰ্ক, আধ্যাত্মিক ঐতিহ্য তথা উমৈহতীয়া প্ৰমূল্য প্ৰতিফলিত হৈছে। এইসমূহৰ জৰিয়তে দুয়োখন দেশৰ বৰ্তমান গঢ় লৈ উঠাৰ লগতে ভৱিষ্যতৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব বুলি তেওঁ প্ৰকাশ কৰে। বি বি কে পি এছৰ উপ-সভাপতি মহাৰাজ স্বৰূপা নন্দ ভিক্ষুই সংঘৰ সভাপতি স্বামী বুদ্ধপ্ৰিয় মহাথেৰৰ বাণী সম্বলিত এটি বাৰ্তা প্ৰকাশ কৰে।

০০০০০০

সীমান্ত সুৰক্ষা বাহিনীৰ সঞ্চালক প্ৰধান দলজিৎ সি চৌধুৰীয়ে কালি জম্মুৰ সীমান্ত অঞ্চল পৰিদৰ্শন কৰি অপাৰেচন সিন্দূৰত জোৱানসকলে আগবঢ়োৱা অতুলনীয় অৱদানৰ শলাগ লয়। ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰি সঞ্চালক প্ৰধানগৰাকীয়ে পালাউৰাত থকা সীমান্ত সুৰক্ষা বাহিনীৰ মুখ্য কাৰ্যালয়ৰ অমৰ প্ৰহৰি স্মাৰকত উপ-পৰিদৰ্শক মহম্মদ ইমতিয়াজ আৰু কনিষ্টবল  দীপক সিংগাখামৰ স্মৃতিত মাল্যাৰ্পণ কৰে। জোৱানসকলক উদ্দেশ্যি দিয়া ভাষণত তেওঁ দেশৰ অতি প্ৰত্যাহ্বানমূলক পৰিস্থিতিত সীমান্ত অঞ্চলসমূহৰ সুৰক্ষা দিয়াত বাহিনীটোৰ গুৰুত্বপূৰ্ণ ভূমিকা সুনিশ্চিত কৰে।

০০০০০০

চেন্নাইৰ চলচ্চিত্ৰ প্ৰযোজক আকাশ বাস্কৰণৰ বাসগৃহ তথা কাৰ্যালয়ত আজি পুৰা বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ বিষয়াই তালাচী অভিযান চলায়। **ডন পিকছাৰ্চৰ** প্ৰযোজক বাস্কৰণ এগৰাকী নিৰ্দেশক হোৱাৰ লগতে তেওঁ ছিম্বু, শিৱা কাৰ্তিকেয়ন তথা ধনুশৰ সৈতে কেইবাখনো জনপ্ৰিয় চলচ্চিত্ৰ প্ৰযোজনা কৰিছে। তদুপৰি

সঞ্চালকালয়ৰ বিষয়াসকলে তামিলনাডু ষ্টেট মাৰ্কেটিং কৰ্পোৰেচনৰ কেইবাটাও কাৰ্যালয়ত অভিযান চলোৱাৰ লগতে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সহায়ত চেন্নাইৰ এটা দুৰ্নীতিৰ অভিযোগৰ সৈতে সম্পৰ্ক থকা কেইবাগৰাকীও বিষয়াৰ বাসগৃহত তালাচী চলায়। উল্লেখযোগ্য যে, মাদ্ৰাজ উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ থকা এহেজাৰ কোটি টকাৰ দুৰ্নীতিৰ এটা গোচৰ সন্দৰ্ভত এই তালাচী অভিযান চলোৱা হৈছে।

oooooo

ভাৰত আৰু পাকিস্তানৰ মাজত হোৱা উত্তেজনাময় পৰিবেশৰ বাবে সাময়িকভাৱে স্থগিত ৰখা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ পৰৱৰ্ত্তী খেলসমূহ কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। কাইলৈ চেন্নাইৰ এম চিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া লীগ পৰ্যায়ৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। ৮ মে'ত খেল চলি থকা অৱস্থাত স্থগিত হোৱা পঞ্জাৱ কিংছ আৰু ডেলহি কেপিটেলছৰ মাজৰ খেলখন ২৪ মে'ত জয়পুৰত অনুষ্ঠিত হ'ব।

oooooo

**সমাপ্ত**